# কৃষি, উদ্যোগ আৰু সেৱাখণ্ডত প্ৰযুক্তিৰ প্ৰভাৱ

## অনুশীলনী

**প্ৰশ্ন ১। মানুহৰ বৃত্তিসমূহ কি কি অৰ্থনৈতিক ক্ষেত্ৰৰ অন্তৰ্ভুক্ত ?**

**উত্তৰঃ** মানুহৰ বৃত্তিসমূহ তিনিটা অৰ্থনৈতিক ক্ষেত্ৰৰ অন্তৰ্ভুক্ত । সেইকেইটা হ'ল কৃষিখণ্ড , উদ্যোগখণ্ড আৰু সেৱাখণ্ড ।

**প্ৰশ্ন ২। সেৱাখণ্ড বুলিলে কি বুজা ? সেৱাখণ্ডত প্ৰযুক্তিৰ প্ৰভাৱ আলোচনা কৰা ।**

**উত্তৰঃ** সেৱাখণ্ড বুলি ক'লে আমি সেইবোৰ ব্যৱস্থাক বুজো যিবোৰে পোনপটীয়াকৈ কোনো সামগ্ৰী উৎপাদন নকৰে যদিও পৰোক্ষভাৱে উৎপাদনত সহায় কৰে আৰু বিভিন্ন অভাৱ পূৰণ কৰে ।

সেৱাখণ্ডত প্ৰযুক্তিৰ প্ৰভাৱ :- সেৱাখণ্ডত বৰ্তমান প্ৰযুক্তিৰ ব্যৱহাৰে গোটেই বিশ্বতে এক আলোড়ন সৃষ্টি কৰিছে । বৰ্তমান সেৱা কাৰ্যৰ ক্ষেত্ৰত অতি ব্যাপকভাৱে প্ৰযুক্তিৰ ব্যৱহাৰ হ'বলৈ লৈছে । সকলো ধৰণৰ সেৱা কাৰ্য এই ক্ষেত্ৰৰ অন্তৰ্ভুক্ত ।

কেইটামান সেৱা কাৰ্যত প্ৰযুক্তিৰ ব্যৱহাৰ —

**( ক ) শিক্ষা সেৱাত প্ৰযুক্তিৰ ব্যৱহাৰ :-** বৰ্তমান শিক্ষা ব্যৱস্থাত নতুন নতুন প্ৰযুক্তিৰ প্ৰয়োগ হ'বলৈ ধৰিছে । শিক্ষা ব্যৱস্থাটো কেৱল শিক্ষক আৰু বিদ্যালয়ৰ মাজত আৱদ্ধ হৈ নাথাকি বিভিন্ন মাধ্যমেৰে শিক্ষাদানৰ ব্যৱস্থা আৱিষ্কৃত হৈছে । বৰ্তমান বিভিন্ন দৃশ্য – শ্ৰাব্য , সামগ্ৰীৰ জৰিয়তে ঘৰতে বহি শিক্ষা লাভ কৰিব পৰা গৈছে । ৰেডিঅ', টেলিভিছনৰ বিভিন্ন কাৰ্যসূচী , অডিঅ ' টেপ , ভিডিঅ ' টেপ আদিৰ জৰিয়তে শ্ৰেণীকোঠাত তথা ঘৰতে বহি বহুতো দিশত শিক্ষা লাভ কৰিব পাৰি । আজি-কালি শিক্ষাৰ কাৰ্যসূচীত ইণ্টাৰনেট , কম্পিউটাৰ , প্ৰজেক্টৰ আদিৰ ব্যৱহাৰ দ্ৰুতগতিত বৃদ্ধি পাইছে । এইদৰে প্ৰযুক্তিৰ ব্যৱহাৰৰ ফলত শিক্ষা ব্যৱস্থাত ব্যাপক পৰিৱৰ্তন সাধন হৈছে ।

**( খ ) চিকিৎসা সেৱাত প্ৰযুক্তিৰ ব্যৱহাৰ :-** চিকিৎসা সেৱাৰ ক্ষেত্ৰত ব্যাপকভাৱে প্ৰযুক্তিৰ ব্যৱহাৰ হ'বলৈ ধৰিছে । প্ৰযুক্তিৰ ব্যৱহাৰৰ ফলত চিকিৎসা সেৱাই চমকপ্ৰদ সফলতা লাভ কৰিছে । বিভিন্ন দুৰাৰোগ্য ৰোগৰ ঔষধ আৱিষ্কাৰ হৈছে । বসন্ত , প্লেগ ,

কলেৰা আদি মহামাৰীসমূহ নিয়ন্ত্ৰিত হৈছে । শল্য চিকিৎসাৰ ক্ষেত্ৰত হাোৱা উন্নতিৰ বাবে হৃৎপিণ্ড , বৃক্ক , মগজু আদি শৰীৰৰ অতি গুৰুত্বপূৰ্ণ অংগৰ অস্ত্ৰোপচাৰ কৰিব পৰা হৈছে । আনকি এজন লাোকৰ বৃক্ক , চকু , হৃৎপৃণ্ড আদি আন এজন লাোকৰ শৰীৰত স্থাপন কৰাটোও সম্ভৱ হৈছে । কৃত্ৰিম অংগ তৈয়াৰ কৰি পংগু লাোক শৰীৰত সেইবাোৰ সংযাোগ কৰি তেওঁলাোকৰ শাৰীৰিক অক্ষমতা হ্ৰাস কৰাৰ ব্যৱস্থা কৰা হৈছে । সেইদৰে দৃষ্টিশক্তি হ্ৰাস পাোৱা লাোকৰ বাবে চশমা , কাণেৰে নুশুনা লাোকৰ বাবে শ্ৰৱণ সহায়ক যন্ত্ৰ আৰু হৃদপিণ্ড দুৰ্বল হাোৱা লাোকৰ বাবে পেছমেকাৰ ব্যৱহাৰ হ'বলৈ ধৰিছে । এই সকলাোবাোৰ সম্ভৱ হৈছে চিকিৎসা সেৱাত ব্যৱহাৰ হাোৱা নতুন প্ৰযুক্তিৰ বাবে ।

**( গ ) পৰিৱহন সেৱাত প্ৰযুক্তিৰ ব্যৱহাৰ :-** প্ৰযুক্তিৰ ব্যৱহাৰে বৰ্তমান সময়ত পৰিবহন অতি সহজ আৰু খৰতকীয়া কৰি তুলিছে । পৰিবহন কেইবা প্ৰকাৰৰ — পথ পৰিবহন , জল পৰিবহন আৰু আকাশী পৰিবহন । পৰিবহনৰ ক্ষেত্ৰত চকাৰ আৱিষ্কাৰ এটা উল্লেখনীয় অৱদান।চাইকেল , ৰিক্সা , বাছ , মটৰগাড়ী , ৰেল গাড়ী আদিৰ সহায়ত মানুহে এঠাইৰ পৰা আন ঠাইলৈ যাব পৰা হ'ল ।

উৰাজাহাজেৰে মানুহ এখন ঠাইৰ পৰা আন এখন বহু দূৰৰ ঠাইলৈ অতি কম সময়তে যাব পৰা হ'ল । জাহাজেৰে নদী , সাগৰ , মহাসাগৰৰ বুকুৰে গধুৰ বস্তুবাোৰ অনা – নিয়া কৰিব পৰা হ'ল । এইদৰে পৰিবহন ব্যৱস্থাই মানুহৰ যাত্ৰা সুচল কৰাৰ উপৰি কেঁচামাল , খাদ্য – দ্ৰব্য আদি অনা – নিয়াত সহায় কৰে । এইদৰে উন্নত পৰিবহন ব্যৱস্থাই গাোটেই পৃথিৱীখনকে ওচৰ চপাই গ্ল'বেল ভিলেজত পৰিণত কৰিছে ।

**( ঘ ) যাোগাযাোগ সেৱাত প্ৰযুক্তিৰ ব্যৱহাৰ :-** যাোগাযাোগ সেৱাত প্ৰযুক্তিৰ ব্যৱহাৰে গাোটেই বিশ্বতে এক নতুন যুগৰ সূচনা কৰিছে । আগৰ দিনত মানুহে নিজে গৈ বা চিঠিৰ মাধ্যমত যাোগাযাোগ কৰিছিল । কিন্তু এতিয়া যাোগাযোগ নতুন নতুন মাধ্যমৰ দ্বাৰা আমি ঘৰতে বহি বিশ্বৰ বিভিন্ন প্ৰান্তত কি কি ঘটনা ঘটি আছে তাক জানিব পাৰোঁ । কৃত্ৰিম উপগ্ৰহৰ আৱিষ্কাৰ তথা স্থাপনৰ পিছত মানুহে ম'বাইল ফোন , টেলিভিছন , কম্পিউটাৰ , ইণ্টাৰনেট আদিৰ যাোগেদি দেশ – বিদেশৰ বিভিন্ন বা বাতৰি ঘৰতে বহি লাভ কৰাৰ উপৰি বিভিন্ন জনৰ লগত কথা-বাৰ্তা পাতিব পৰা হ'ল । ই – মেইলৰ যাোগেদি যিকোনাো খবৰ , ছবি পঠিয়াব পৰা হ'ল । ফেক্স মেচিনৰ সহায়ত তথ্যৰ প্ৰতিলিপি অইন ঠাইলৈ প্ৰেৰণ কৰিব পৰা হ'ল ।

মুঠৰ ওপৰত আধুনিক প্ৰযুক্তিয়ে যাোগাযাোগ ব্যৱস্থাক এনে এটা পৰ্যায়লৈ লৈ গৈছে যে গাোটেই পৃথিৱীখনেই আমাৰ হাতৰ মুঠিত উপলব্ধ হৈছে ।

**( ঙ ) বেংক সেৱা আৰু প্ৰযুক্তি :-** বেংক হৈছে এটা বিত্তীয় প্ৰতিষ্ঠান য'ত আমি টকা – পইচা জমা থ'ব আৰু উলিয়াব পাৰে । আজি-কালি নতুন নতুন প্ৰযুক্তি প্ৰয়াোগে বেংকৰ

কাম – কাজ সুচল আৰু খৰতকীয়া কৰি তুলিছে। যেনে— এন ই এফ টি ( National Electronic Fund Transfer ) ৰ সহায়ত এটা একাউণ্টৰ পৰা আন এটা একাউণ্টলৈ মুহূৰ্তৰ ভিতৰতে পইচা পঠিয়াব পাৰি। এ টি এম ( Automated Teller Machine ) ৰ সহায়ত আমি বেংকলৈ নােযাােৱাকৈ নিজৰ একাউণ্টৰ পৰা পইচা উলিয়াব পাৰোঁ। ডেবিট কাৰ্ড ( Debit Card ) ৰ সহায়ত হাতত পইচা নােহাােৱাকৈও বিভিন্ন সামগ্ৰী কিনিব পাৰি। আজি-কালি বেংকে এছ .এম .এছ ( SMS ) ৰ জৰিয়তে গ্ৰাহকক তেওঁলােকৰ টকা জমা আৰু উলিওৱা সম্পৰ্কে জনাােৱাৰ ব্যৱস্থাও হৈছে।

**প্ৰশ্ন ৩। কুটীৰ উদ্যোগ কাক বােলে ?**

**উত্তৰঃ** যিবাােৰ শিল্প কম মূলধনেৰে ঘৰুৱাভাৱে প্ৰতিষ্ঠা কৰিব পাৰি আৰু যন্ত্ৰৰ ব্যৱহাৰ কম হয় তেনে শিল্প বা উদ্যোগক কুটীৰ শিল্প বােলে। যেনে — হস্ততাঁত শিল্প , বাঁহ শিল্প , কাঁহ – পিতলৰ উদ্যোগ আদি।

**প্ৰশ্ন ৪। আমাৰ দেশত থকা দুটা বৃহৎ উদ্যোগৰ নাম লিখা।**

**উত্তৰঃ** আমাৰ দেশত থকা দুটা বৃহৎ উদ্যোগ হ'ল – লাে – তীখা উদ্যোগ, তেল উদ্যোগ।

**প্ৰশ্ন ৫। পৰিবহন কেইপ্ৰকাৰৰ আৰু কি কি ?**

**উত্তৰঃ** পৰিবহন তিনি প্ৰকাৰৰ — পথ পৰিবহন , জল পৰিবহন আৰু আকাশী পৰিবহন।

## অতিৰিক্ত প্ৰশ্নোত্তৰ

**( ক ) অতি চমু প্ৰশ্নোত্তৰ :-**

**প্ৰশ্ন ১। উদ্যোগ কাক বােলে ?**

**উত্তৰঃ** যি প্ৰতিষ্ঠানে কাৰিকৰী কৌশল আৰু প্ৰযুক্তি খটুৱাই প্ৰাকৃতিক আৰু কৃষিজাত সামগ্ৰীসমূহ আমাৰ উপভাােগ্য সামগ্ৰীলৈ ৰূপান্তৰ কৰে , তাকে উদ্যোগ বােলে।

**প্ৰশ্ন ২। উদ্যোগৰ প্ৰকাৰ কেইটা কি কি ?**

**উত্তৰঃ** উদ্যোগৰ প্ৰকাৰকেইটা হ’ল — বৃহৎ উদ্যোগ , মজলীয়া উদ্যোগ, ক্ষুদ্ৰ উদ্যোগ আৰু কুটিৰ উদ্যোগ ।

**প্ৰশ্ন ৩। সেৱাখণ্ড বুলিলে কি বুজা ?**

**উত্তৰঃ** সেৱাখণ্ড বুলি ক’লে আমি সেইবাোৰ ব্যৱস্থাক বুজো যিবাোৰে পাোনপটীয়াকৈ কোনাো সামগ্ৰী উৎপাদন নকৰে যদিও পৰাোক্ষভাৱে উৎপাদনত সহায় কৰে আৰু আমাৰ বিভিন্ন অভাৱ পূৰণ কৰে ।

**প্ৰশ্ন ৪। কৃষিষণ্ডৰ লগত জড়িত বৃত্তিসমূহ কি কি ?**

**উত্তৰঃ** কৃষিখণ্ডৰ লগত জড়িত বৃত্তিসমূহ হ’ল— খেতি – বাতি , পশুপালন , মীন পালন , দুগ্ধ উৎপাদন ইত্যাদি ।

**প্ৰশ্ন ৫। উদ্যোগ খণ্ডৰ লগত জড়িত বৃত্তিসমূহ কি কি ?**

**উত্তৰঃ** উদ্যোগখণ্ডৰ লগত জড়িত বৃত্তিসমূহ হ’ল — চাহ উদ্যোগ , কাগজ উদ্যোগ , বস্ত্ৰ উদ্যোগ , তেল উদ্যোগ , মৰাপাট উদ্যোগ , লাো – তীখা উদ্যোগ , বাঁহ – বেত উদ্যোগ , কাঁহ – পিতল উদ্যোগ ইত্যাদি ।

**প্ৰশ্ন ৬। সেৱাখণ্ডৰ লগত জড়িত বৃত্তিসমূহ কি কি ?**

**উত্তৰঃ** সেৱাখণ্ডৰ লগত জড়িত বৃত্তিসমূহ হ’ল— শিক্ষা , চিকিৎসা , যাোগাযাোগ পৰিবহন , বেংক , বীমা , আইন , ওকালতি ইত্যাদি ।

**প্ৰশ্ন ৭। ‘ সেউজ বিপ্লৱ ‘ বুলিলে কি বুজা ?**

**উত্তৰঃ** নিশ্চিত পানী যাোগান , উচ্চ উৎপাদনক্ষম বীজৰ ব্যৱহাৰ , ৰাসায়নিক সাৰৰ প্ৰয়াোগ আৰু আধুনিক কৃষি সঁজুলিৰ ব্যৱহাৰৰ ফলত ভাৰতৰ পঞ্জাৱ , হাৰিয়ানা , উত্তৰ প্ৰদেশ আদি ঠাইত কৃষি উৎপাদনৰ ক্ষেত্ৰত যি বিপ্লৱৰ সূচনা হৈছে , সেই বিপ্লৱক ’ সেউজ বিপ্লৱ ’ বাোলা হয় ।

**প্ৰশ্ন ৮। বেপাৰ বাণিজ্যৰ ক্ষেত্ৰত প্ৰযুক্তিয়ে কেনেধৰণৰ ভূমিকা পালন কৰিছে লিখা ।**

**উত্তৰঃ** বেপাৰ – বাণিজ্যৰ ক্ষেত্ৰত প্ৰযুক্তিয়ে এক বিশেষ ভূমিকা গ্ৰহণ কৰিছে । বাণিজ্য সম্পৰ্কীয় আৱশ্যকীয় তথ্যপাতি অতি সহজতে প্ৰযুক্তিৰ সহায়ত পাব পৰা হৈছে । বৰ্তমান প্ৰযুক্তিৰ ব্যৱহাৰৰ ফলত বাণিজ্যিক লেনদেন কৰা অতি সহজ হৈ পৰিছে । ফলত বাণিজ্য সম্প্ৰসাৰণ হৈছে আৰু মানুহৰ আয় বৃদ্ধি হৈছে আৰু জীৱনৰ মান ক্ৰমাৎ উন্নত হৈছে।

**প্ৰশ্ন ৯। এন. ই. এফ. টি. কি ?**

**উত্তৰঃ** এন. ই. এফ. টি. অৰ্থাৎ National Electronic Fund Transfer হৈছে – বেংক সেৱাকাৰ্যত ব্যৱহৃত এটা ব্যৱস্থা । উন্নত প্ৰযুক্তিগত এই ব্যৱস্থাৰ জৰিয়তে বেংকৰ এটা একাউণ্টৰ পৰা আন এটা একাউণ্টলৈ মুহূৰ্তৰ ভিতৰতে পইচা পঠিয়াব পাৰি ।

**প্ৰশ্ন ১০। এ. টি. এম. কি ?**

**উত্তৰঃ** এ. টি. এম. অৰ্থাৎ Automated Teller Machine হৈছে – এনে এটা ব্যৱস্থা যাৰ জৰিয়তে আমি বেংকলৈ নােযাােৱাকৈয়ে নিজৰ একাউণ্টৰ পৰা পইচা উলিয়াব পাৰাে ।

**প্ৰশ্ন ১১। খালী ঠাই পূৰ কৰা –**

( ক ) ………………ৰ ব্যৱহাৰে বৰ্তমান সময়ত পৰিবহন অতি সহজ আৰু খৰতকীয়া কৰি তুলিছে ।

**উত্তৰঃ** প্ৰযুক্তিৰ ব্যৱহাৰে বৰ্তমান সময়ত পৰিবহন অতি সহজ আৰু খৰতকীয়া কৰি তুলিছে ।

( খ ) পৰিবহনৰ ক্ষেত্ৰত ………………… ৰ আৱিষ্কাৰ এটা উল্লেখনীয় অৱদান ।

**উত্তৰঃ** পৰিবহনৰ ক্ষেত্ৰত চকাৰ আৱিষ্কাৰ এটা উল্লেখনীয় অৱদান ।

( গ ) উন্নত পৰিবহন ব্যৱস্থাই গােটেই ……………….. কে ওচৰ চপাই ‘ গ্লোবেল ভিলেজ’ত পৰিণত কৰিছে ।

**উত্তৰঃ** উন্নত পৰিবহন ব্যৱস্থাই গােটেই পৃথিৱীকে ওচৰ চপাই ‘ গ্লোবেল ভিলেজ ’ ত পৰিণত কৰিছে।

( ঘ ) ……………….. মেচিনৰ সহায়ত তথ্য প্ৰতিলিপি অইন ঠাইলৈ প্ৰেৰণ কৰিব পৰা হ’ল।

**উত্তৰঃ** ফেক্স মেচিনৰ সহায়ত তথ্যৰ প্ৰতিলিপি অইন ঠাইলৈ প্ৰেৰণ কৰিব পৰা হ’ল।

( ঙ ) প্ৰযুক্তিৰ সুফল লাভ কৰিবলৈ শিক্ষা আৰু ……………….. ৰ আৱশ্যক।

**উত্তৰঃ** প্ৰযুক্তিৰ সুফল লাভ কৰিবলৈ শিক্ষা আৰু প্ৰশিক্ষণৰ আৱশ্যক।